জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৪৫/২০২১

# চতিয়া সমষ্টিৰ টুপীয়া-বালিজুৰি পথৰ শুভ উদ্বোধন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

চেঙামাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, বালিজুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু বালিজুৰি সাপ্তাহিক বজাৰৰ নিৰ্মাণ কাৰ্যৰো আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰীৰ

## বালিজুৰিৰ পৰা টুপিয়ালৈকে ১৪ কিঃ মিঃ পথত চাকি-বন্তি জ্বলাই পুষ্পবৃষ্টিৰে মুখ্যমন্ত্ৰী ড° শৰ্মাক বিপুল আদৰণি স্থানীয় ৰাইজৰ

**দিছপুৰ, ০২ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শোণিতপুৰ জিলাৰ চতিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত টুপিয়াৰ পৰা ৰঙাচকুৱা আৰু মৰিসুটি হৈ নতুনকৈ নিৰ্মাণ কৰা ১৪ কিঃ মিঃ দৈৰ্ঘ্যৰ বালিজুৰি সংযোগী পথটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে নতুনকৈ নিৰ্মাণ হ'বলগীয়া চেঙামাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু বালিজুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ নিৰ্মাণকাৰ্যৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ উপৰি এপাৰ্টৰ বজাৰ আধুনিকীকৰণ আৰু উন্নয়ন কাৰ্যসূচীৰ অধীনত নিৰ্মাণ হ'বলগীয়া বালিজুৰি সাপ্তাহিক বজাৰৰ নিৰ্মাণ কাৰ্যৰো তেখেতে আধাৰশিলা স্থাপন কৰে।

এই উপলক্ষে আয়োজিত কৃতজ্ঞতা জ্ঞাপন অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাক বৃহত্তৰ চতিয়া গোৰ্খা সমাজ, গোৰ্খা উন্নয়ন পৰিষদ, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা (আগছু), অসম নেপালী সাহিত্য সভা, কেন্দ্ৰীয় অখণ্ড হৰিকীৰ্তন সমাজ তথা বৃহত্তৰ বালিজুৰিবাসী ৰাইজৰ তৰফৰ পৰা উষ্ম আদৰণি জনোৱা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে পূৰ্বৰ ৰাজ্য চৰকাৰৰ কাৰ্যকালৰ শেষৰ ফালে টুপীয়া-বালিজুৰি সংযোগী এই পথৰ আধাৰশিলা স্থাপন কৰা হৈছিল। নিৰ্দ্ধাৰিত সময়ৰ পূৰ্বেই এটা উন্নতমানৰ পথ নিৰ্মাণ হোৱাৰ ফলত এই বৃহত্তৰ অঞ্চলৰ ৰাইজৰ বৃহৎ উপকাৰ হ'ব বুলি তেওঁ কয়। আনহাতে, সেই সময়তে বালিজুৰি আৰু চেঙামাৰীত দুখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ কৰাৰ বাবে ৰাইজে অনুৰোধ জনাইছিল। আজি নিৰ্মাণকাৰ্যৰ শুভাৰম্ভণি হোৱাৰ লগে লগে এই দুখন স্বাস্থ্য কেন্দ্ৰ অতি সোনকালে আৰু নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে সম্পূৰ্ণ কৰা হ'ব বুলিও তেওঁ কয়। তদুপৰি, বালিজুৰি সাপ্তাহিক বজাৰৰ নিৰ্মাণে অঞ্চলটোত ব্যৱসায়-বাণিজ্য ভালদৰে গঢ় লৈ উঠাতো বিশেষভাৱে সহায় কৰিব বুলি তেওঁ কয়। বালিজুৰি অঞ্চল বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনৰ ক্ষেত্ৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে শান্তি, সম্প্ৰীতি আৰু সমন্বয় অটুট ৰখাৰ বাবে সকলো সম্প্ৰদায়ৰ লোকক আহ্বান জনায়।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

বৰ্তমানৰ ৰাজ্য চৰকাৰখন শাসন ক্ষমতাত অধিষ্ঠিত হোৱাৰ মাত্ৰ তিনিটা মাহৰ ভিতৰতে চৰকাৰখনে ৰাজ্যখনৰ গোৰ্খা সম্প্ৰদায়ৰ লোকসকলৰ বাবে তিনিটা গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি এই জনগোষ্ঠীটোৰ সুৰক্ষা আৰু স্বাভিমান বৃদ্ধিৰ বাবে কাম কৰিছে। ইয়াৰ ভিতৰত ট্ৰাইবেল বেল্ট আৰু ব্লকসমূহত গোৰ্খা সম্প্ৰদায়ৰ লোকসকলক প্ৰটেক্টেড ক্লাছ হিচাপে স্বীকৃতি প্ৰদান কৰিছে। ইয়াৰ ফলত মাটিৰ অধিকাৰকে ধৰি সকলো অধিকাৰ গোৰ্খাসকলে লাভ কৰিব। তদুপৰি এতিয়াৰে পৰা গোৰ্খাসকলৰ বিৰুদ্ধে বিদেশী ন্যায়াধিকৰণত কোনো গোচৰ ৰুজু কৰা নহ'ব তথা ট্ৰিবুনেলত ইতিমধ্যে চলি থকা গোচৰসমূহ বাতিল কৰাৰ বাবে চৰকাৰী অধিৱক্তাৰ জৰিয়তে পদক্ষেপ লোৱা হ'ব। এই সিদ্ধান্তসমূহে অসমত বসবাস কৰি থকা গোৰ্খা লোকসকলক ইমানদিনে ভুগি অহা শংকা তথা দুঃশ্চিন্তাৰ পৰা মুক্ত কৰিব বুলিও তেওঁ কয়। তদুপৰি, গোৰ্খাসকলৰ ভাষা-সংস্কৃতি, সাহিত্য ইত্যাদি সুৰক্ষাৰ দিশত চৰকাৰে কিছুসংখ্যক গুৰুত্বপূৰ্ণ পদক্ষেপ ল'ব বুলিও তেওঁ জানিবলৈ দিয়ে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কিছুমান ৰাজনৈতিক দলৰ প্ৰৰোচনা তথা অপপ্ৰচাৰৰ পৰা আঁতৰি থকাৰ বাবে গোৰ্খা সম্প্ৰদায়ৰ লোকসকলক আহ্বান জনায়। বিজেপি নেতৃত্বাধীন বৰ্তমানৰ চৰকাৰখনে কথা দি কাম কৰে বুলি উল্লেখ কৰি এগৰাকী গৌৰৱী অসমীয়া হিচাপে সমন্বয় আৰু শান্তিৰে বসবাস কৰাৰ বাবে তেওঁ সকলোৰে প্ৰতি আহ্বান জনায়।

আজিৰ এই কৃতজ্ঞতা জ্ঞাপন অনুষ্ঠানত জলসম্পদ বিভাগৰ মন্ত্ৰী তথা শোণিতপুৰ আৰু বিশ্বনাথ জিলাৰ অভিভাৱক মন্ত্ৰী পীযুষ হাজৰিকা, সাংসদ পল্লৱ লোচন দাস, বিধায়কসকল ক্ৰমে পদ্ম হাজৰিকা, প্ৰমোদ বৰঠাকুৰ, কৃষ্ণ কমল তাঁতী, পৃথ্বিৰাজ ৰাভা, গণেশ লিম্বু আদিকে ধৰি বহুসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

আনহাতে, এই অনুষ্ঠান অনুষ্ঠিত হোৱা বালিজুৰিৰ পৰা নতুনকৈ নিৰ্মাণ কৰি উদ্বোধন কৰা পথছোৱাৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই উভতাৰ পথত বালিজুৰিৰ পৰা টুপিয়ালৈকে ১৪ কিঃমিঃ পথছোৱাত জনসাধাৰণে চাকি বন্তি তথা পুষ্পবৃষ্টিৰে মুখ্যমন্ত্ৰীক বিপুল আদৰণি জনায়।

**বঃভাঃ**

**০২/০৯/২০২১**